# NSD NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 12-10-2026**
**Time : 19-10 Hrs**

## ASSAMESE EVENING BULLETIN

১। চৰকাৰে অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰযুক্তি খণ্ডত আত্মনিৰ্ভৰশীল আৰু আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

২। ২০২৬ বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা আমেৰিকাৰ অৰ্থনীতিবিদ ৰবাৰ্ট ই হল আৰু মাইকেল উদফৰ্ডলৈ আগবঢ়োৱা হৈছে।

৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে দেশৰ যুৱ শক্তিক ভাৰতৰ উন্নয়নৰ যাত্ৰাত অংশীদাৰ হ'বলৈ আহ্বান জনাইছে। *আৰু*

৪। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে আজি নতুন দিল্লীত ব্ৰিকচ থিয়েটাৰ মহোৎসৱ ২০২৬ উদ্বোধন কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে বিগত কেইবছৰমানৰ পৰা চৰকাৰে অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰযুক্তিৰ পৰা আৰম্ভ কৰি বস্ত্ৰ, প্ৰতিৰক্ষা সজুলী আৰু প্ৰশিক্ষণলৈকে এই সকলো খণ্ডতে আত্মনিৰ্ভৰশীল আৰু আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আজি নতুন দিল্লীত সেনা আৰু ভাৰতীয় খাদ্য নিগমৰ মাজত হোৱা বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে এতিয়া নিজৰ প্ৰতিৰক্ষাৰ প্ৰয়োজন হোৱা সামগ্ৰীৰ এক বুজন সংখ্যক ঘৰুৱাভাৱে উৎপাদন কৰে। তেওঁ কয়, যে যেতিয়া চৰকাৰে সেনা জোৱানসকলক পুস্তিকৰ খাদ্য, উপযুক্ত অস্ত্ৰ-শস্ত্ৰ, মান সম্পন্ন প্ৰশিক্ষণ আৰু পৰ্যাপ্ত সুবিধা প্ৰদান কৰিলেহে তেঁওলোকৰ মনোবল বৃদ্ধি হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে আধুনিক যুদ্ধত অস্ত্ৰ-শস্ত্ৰ অথবা প্ৰযুক্তিয়ে একমাত্ৰ সম্বল নহয়, যুদ্ধক্ষেত্ৰৰ বাবে সা-সামগ্ৰীৰ যোগান অন্যতম এক গুৰুত্বপূৰ্ণ শক্তি। তেওঁ কয় যে আধুনিক যুদ্ধসমূহত সন্মুখ সমৰত জয়ী হোৱাৰ সমান্তৰালকৈ যোগান শৃংখলাৰ শক্তি আৰু সহনশীলতাইও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

বাইট-ৰাজনাথ

তেওঁ লগতে কয় যে ভাৰতীয় সেনাক প্ৰতি বছৰে প্ৰায় ১ লাখ ২৫ হাজাৰ মেট্ৰিকটন চাউলৰ প্ৰয়োজন হয় আৰু এনে পৰিমাণৰ উচ্চ গুণ সম্পন্ন শস্যৰ উৎস বিচাৰি উলিওৱাটো এক ডাঙৰ প্ৰত্যাহ্বান। এনে প্ৰত্যাহ্বান **ভাৰত চাউল** পদক্ষেপৰ জৰিয়তে দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে সেনাই এতিয়াৰে পৰা যুদ্ধকালীন সময়ত ভাৰতীয় খাদ্য নিগমৰ গুদাম বা আন সা-সুবিধা গ্ৰহণ কৰিব পাৰিব বুলি উল্লেখ কৰি ৰাজনাথ সিঙে কয় যে এই চুক্তিখনে চৰকাৰ আৰু দেশৰ সামগ্ৰিক দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে।

০০০০০

২০২৬ বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা আমেৰিকাৰ অৰ্থনীতিবিদ ৰবাৰ্ট ই হল আৰু মাইকেল উদফৰ্ডলৈ আগবঢ়োৱা হৈছে। দুয়োগৰাকী অৰ্থনীতিবিদে উত্থান আৰু মন্দাৰস্থাৰ সময়ত নীতি নিৰ্ধাৰকসকলক অৰ্থনীতি সুস্থিৰ কৰাত সহায় কৰা আৰ্হি প্ৰস্তুত কৰিছে। ৰয়েল স্বিডিশ একাডেমী অৱ চায়েন্সে কয়, যে তেওঁলোকৰ এই কাৰ্যই বিত্তীয় আৰু মুদ্ৰানীতি তাত্বিক ভিত্তি সুদৃঢ় কৰাৰ লগতে চৰকাৰ আৰু কেন্দ্ৰীয় বেংকৰ অৰ্থনৈতিক উত্থান পতনৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা উন্নত কৰিছে। নবেল সমিতিয়ে কয় যে ভৱিষ্যতৰ অৰ্থনীতিৰ প্ৰতি লক্ষ্য ৰাখি পৰিয়াল আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ব্যয়, সঞ্চয়, বিনিয়োগ আৰু মূল্য নিৰ্ধাৰণ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি এই আৰ্হি প্ৰস্তুত কৰা হৈছে। দুয়োগৰাকী অৰ্থনীতিবিদৰ গৱেষণাই নীতি নিৰ্দেশকসকলক চৰকাৰী নীতি আৰু কেন্দ্ৰীয় বেংকৰ অৰ্থনৈতিক কাৰ্যকলাপক কিদৰে প্ৰভাৱিত কৰে সেই বিষয়ে বুজাত সহায় কৰিছে। এই আৰ্হি বৰ্তমান বিশ্বৰ কেন্দ্ৰীয় বেংক আৰু চৰকাৰৰ বাবে অতি প্ৰয়োজনীয়। ৰবাৰ্ট ই হল ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু মাইকেল উদফৰ্ড কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক। এই বঁটা দুয়োগৰাকী অৰ্থনীতিবিদৰ মাজত সমানে ভাগ হ'ব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে দেশৰ যুৱ শক্তিক ভাৰতৰ উন্নয়নৰ যাত্ৰাত অংশীদাৰ হ'বলৈ আহ্বান জনাইছে। নতুন দৃষ্টিভংগী, উদ্ভাৱনীমূলক ধাৰণা আৰু নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত শক্তিশালী ভাৱনাৰে দেশৰ বিকাশৰ যাত্ৰাত যুৱ সমাজক অংশীদাৰ কৰাৰ ক্ষেত্ৰত মন্ত্ৰী গোৱেলে গুৰুত্ব আৰোপ কৰে। নতুন দিল্লীত আজি অনুষ্ঠিত **দিল্লী ডাইলগ ২০২৬** শীৰ্ষক অনুষ্ঠানত অংশ লৈ মন্ত্ৰী শ্ৰীগোৱেলে গোলকীয় প্ৰত্যাহ্বান সত্তেও ভাৰতৰ স্থিতিস্থাপকতা আৰু বিকাশৰ গতি অব্যাহত থকা দিশটোত আলোকপাত কৰে। শ্ৰীগোৱেলে ভাৰতৰ মুঠ জনসংখ্যাৰ কথা উল্লেখ কৰি কয় যে ইয়াৰ অধিকাংশই যুৱ প্ৰজন্ম আৰু ই ভাৰতৰ এটা বৃহৎ শক্তিৰূপে পৰিগণিত হৈছে। তেওঁ আঙুলিয়াই দিয়ে যে যি সময়ত কেইবাখনো দেশৰ অৰ্থনীতি বয়স্ক জনসাধাৰণে সৃষ্টি কৰা সমস্যাৰ সন্মুখীন হৈছে, সেই সময়তে ভাৰতৰ জনসাধাৰণৰ গড় বয়স ৩০ ৰ তলত আৰু এয়া পৰৱৰ্তী ৩ টা দশক পৰ্যন্ত এই পৰিস্থিতি বৰ্তি থকাৰ আশা কৰা হৈছে। তেওঁ লগতে কয় যে ভাৰতৰ অৰ্থনীতি ২০৪৭ চনত ৩০ ট্ৰিলিয়ন আমেৰিকান ডলাৰলৈ পৰ্যবসিত হ'ব।

০০০০০

২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় ইস্পাত নীতিৰ খছৰা প্ৰস্তুত কৰি উলিয়াইছে। এই নীতিৰ জৰিয়তে দেশৰ বৰ্ধিত ইস্পাতৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে গোলকীয়ভাৱে ভাৰতক এক শক্তিশালী স্থানলৈ উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই নীতিয়ে ভাৰতৰ ইস্পাতৰ জনমুৰি আয়ৰ ব্যৱহাৰ এতিয়াৰ ১১৬ কিলোগ্ৰামৰ পৰা ৩০২ কিলোগ্ৰাম কৰিব বুলি আশা কৰা হৈছে। ২০১৪-১৫ বৰ্ষত ইস্পাতৰ উৎপাদন ৮৯ নিযুত টন আছিল যদিও ২০২৫-২৬ বৰ্ষত এই পৰিমাণ ১৭০ নিযুত টনলৈ বৃদ্ধি পাইছে। এই নীতিয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতৰ পৰা ৰপ্তানি হ'ব পৰা ইস্পাতৰ পৰিমাণ ৪৫ মেট্ৰিকটন কৰিব বুলি অনুমান কৰা হৈছে। ইয়াৰ লগতে বৰ্তমানৰ ইস্পাতৰ ব্যৱহাৰ ২০৪৭ চনলৈকে ৪০৬ নিযুত টন বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। এই খছৰাখনে আন্তঃগাথনি, গৃহ নিৰ্মাণ, যোগাযোগ ব্যৱস্থা, নৱীকৰণযোগ্য শক্তি আৰু নিৰ্মাণ উদ্যোগসমূহত ইস্পাতৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ ওপৰত জোৰ দিছে। ইয়াৰ লগতে পৰিষ্কাৰ ইস্পাত উৎপাদনৰ জৰিয়তে কাৰ্বনডাই অক্সাইড গেছৰ ২ দশমিক ৫-৪ টনৰ নিৰ্গমনৰ পৰিমাণ কমাই ২০৪৭ চনলৈকে ১ দশমিক ৫-৪

টনলৈকে হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত বৃহৎ পৰিসৰত শক্তিৰ কাৰ্যকাৰিতা, নৱীকৰণযোগ্য বিদ্যুৎ শক্তি, আৱৰ্জনা হিচাপে পৰি ৰোৱা ষ্টীলৰ সামগ্ৰীসমূহৰ ব্যৱহাৰ আৰু হাইড্ৰ'জেনৰ জৰিয়তে ইস্পাত উৎপাদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। এই নীতিয়ে ঘৰুৱাভাৱে শক্তিশালী আৰু উন্নত মানৰ ইস্পাতৰ উৎপাদন, আৱৰ্জনা হিচাপে থকা ইস্পাত সংগ্ৰহ আৰু এই সমূহ পুনৰ ব্যৱহাৰযোগ্য হিচাপে নিৰ্মাণ কৰা আৰু স্থানীয়ভাৱে নিৰ্মিত ইস্পাত উৎপাদনৰ প্ৰযুক্তিৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। এই নীতিত কৃত্ৰিম বুদ্ধিমত্তা, অটোমেছন আৰু ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে যাতে উন্নতমানৰ ইস্পাতৰ উৎপাদন বঢ়াব পৰা যায়, এই বিষয়েও উল্লেখ কৰিছে।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুছ গোৱেলে কয়, যে ২০৩০ চনৰ ভিতৰত ভাৰত আৰু সংযুক্ত গণৰাজ্যৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। আজি নতুন দিল্লীত ভাৰত আৰু সংযুক্ত গণৰাজ্যৰ মাজত যুটীয়া অৰ্থনৈতিক আৰু বাণিজ্য সমিতিৰ ১৬ সংখ্যক অধিবেশনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে স্থায়ী সংযোগ, শক্তিশালী প্ৰতিষ্ঠানিক ব্যৱস্থা আৰু বৰ্ধিত সহযোগিতাৰ জৰিয়তে দেশ দুখনৰ মাজত অৰ্থনৈতিক সহযোগিতা অধিক ক্ষীপ্ৰ কৰাৰ বাবে ভাৰতে একাগ্ৰতাৰে কাম কৰি যাব। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমুহে নতুন সুবিধা লাভ কৰিব বুলি উল্লেখ কৰি তেওঁ কয়, যুটীয়া অৰ্থনৈতিক বাণিজ্য সমিতি দুয়োখন দেশৰ অৰ্থনৈতিক অংশীদাৰিত্বৰ এক মাইলৰ খুটি হিচাপে চিহ্নিত হৈছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে আজি নতুন দিল্লীত ব্ৰিকচ থিয়েটাৰ মহোৎসৱ ২০২৬ উদ্বোধন কৰে। এই মহোৎসৱ অহা বুধবাৰে সামৰণি পৰিব। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী শ্ৰীশেখাৱাটে কয় যে সম্প্ৰতি সমগ্ৰ বিশ্বই ভূ-ৰাজনৈতিক উদ্বিগ্নতা, সংঘাট, অনিশ্চয়তা আদিৰ মুখামুখি হৈছে। এনে প্ৰেক্ষাপটত সংস্কৃতিয়ে আলোচনা, বিশ্বাস স্থাপন আৰু বিশ্ব সম্প্ৰীতি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। সংস্কৃতিৰ বিশ্বজনীন আবেদন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি মন্ত্ৰী শ্ৰীশেখাৱাটে কয় যে মৰম, ভালপোৱা, সাহস, স্বাধীনতা আদিৰ সমাহাৰে ভাষিক আৰু সাংস্কৃতিক পাৰ্থক্য দূৰ কৰাত সহায় কৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ সঞ্চালক চিত্তৰঞ্জন ত্ৰিপাঠিয়ে কয় যে এই তিনিদিনীয়া মহোৎসৱত ১০ টা থিয়েটাৰ গোটে মুঠ এঘাৰখন নাটক প্ৰদৰ্শন কৰিব। তেওঁ কয় যে এই নাটকসমূহ দিল্লীৰ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰা হ'ব। এই তিনিদিনীয়া মহোৎসৱত ভাৰত, থাইলেণ্ড, ইন্দোনেচিয়া, ৰাছিয়া, ভিয়েটনাম, ইৰাণ, দক্ষিণ আফ্ৰিকা, কাজাখস্তান আৰু ইথিঅ'পিয়াৰ নাট্য দলে অংশগ্ৰহণ কৰিব।

০০০০০

সমাপ্ত